ভিত্তিত বিভাগটোৰ নিযুক্তি পাই সহকৰ্মী হ'লেও তেওঁলোকৰ মাজত গুৰু-শিষ্যৰ সম্পৰ্কটো অটুট আছিল।

পিছে সেইদিনা আনন্দ আছিল বেজাৰমুৱা; সেমেনা-সেমেনিকৈ তেওঁ কৈছিল—"কথাটো তেনেকুৱাই ছাৰ; কিন্তু সমস্যাটো গণিতৰ নহয়, সাংসাৰিকহে। আপোনাৰ সৈতে আলোচনা কৰাটো ভাল বুলি ভাবিছোঁ।"

বৰঠাকুৰে ঠিকেই ধৰিব পাৰিছিল, কিবা কাৰণত আনন্দৰ মনত ধুমুহাৰ সৃষ্টি হৈছে। সেয়েহে সেইটোৰ গুৰুত্ব লাঘৱ কৰিবলৈকে বুলি তেওঁ কৈছিল—"সাংসাৰিক সমস্যাৰ সমাধানত ধৈৰ্য আৰু সহনশীলতা লাগে; কিন্তু আজিকালি প্ৰায়েই সেইটোৰ অভাৱ দেখা যায়। আজিৰ শিৰোনামৰ বাতৰিটোলৈকে নোচোৱা কিয়? এজন জিলা অধিপতি, উচ্চ প্ৰশাসনিক বিষয়া, তেওঁ জিলাখনৰ হৰ্তা-কৰ্তা-বিধাতা। অথচ তেওঁ আপোনঘাতী হ'ল। ঘৰত ঘৈণীয়েকৰ অত্যাচাৰ সহিব নোৱাৰি এজন আই এ এছ বিষয়াই আত্মহত্যা কৰিব লাগেনে? আজিকালিৰ ডেকা-ডেকেৰীহঁতৰ হৈছে কি?"

আনন্দ মৌন হৈ ৰ'ল; কিন্তু বৰঠাকুৰে নুবুজাকৈ থকা নাছিল যে নিজৰ কথাবোৰ ক'বলৈ আনন্দ বৰকৈ উদগ্ৰীৱ হৈ পৰিছে। তেওঁৰ প্ৰবল ভাবাবেগত যতি পেলাবলৈ বৰঠাকুৰে সহজভাৱে কৈছিল—"বাৰু, তোমাৰ কথাবোৰ ভালকৈয়ে আলোচনা কৰিম; প্ৰথমতে দুয়ো একোকাপ চাহ খাই লওঁ, নে কি কোৱা?"

বৰঠাকুৰ ভিতৰলৈ সোমাই গৈছিল। পৰিয়ালৰ মানুহবোৰ তেতিয়াও বিছনাৰ পৰা শুই উঠা নাছিল। নিজে দুকাপ চাহ কৰি আনি বৰঠাকুৰ বাৰাণ্ডাত আকৌ বহিল। —"আনন্দ, চাহ খোৱা, বিস্কুটো ল'বা।"

তেওঁ প্লেটখন আগবঢ়াই দিলে।

আনন্দই লৰালৰিকৈ চাহ খোৱা শেষ কৰিছিল আৰু আবেগ ভৰা কণ্ঠেৰে কৈ গৈছিল। —"ছাৰ, কালি আবেলি মোৰ তিৰোতাজনী অফিছৰ পৰা উভতি নাহিল। সাধাৰণতে তেওঁ পাঁচ বজাত ঘৰ পায়হি; কিন্তু ছয় বজাতো আহি নোপোৱাত তেওঁলৈ ফোন কৰিছিলোঁ। বাৰে বাৰে ফোন কৰা সত্বেও তেওঁ ফোন ধৰা নাছিল। চৰম দুশ্চিন্তাৰ মাজেৰে প্ৰতিটো মুহূৰ্ত কটোৱাৰ পাছত সন্ধিয়া সাতমান বজাত তেওঁলোকৰ অফিছৰ পিয়নজনে এটা বন্ধ খাম দি গ'লহি। তাত লিখা আছিল—মই এজন সহকৰ্মী বন্ধুৰ সৈতে ওলাই আহিলোঁ; অফিছত তিনি মাহৰ ছুটী লৈ থৈছোঁ, কিন্তু উভতি নাহিম বুলিয়েই ভাবিছোঁ। তুমি মোক বিচাৰি নুফুৰিবা, বা পুলিছকো নজনাবা। কথাটো বুজিছাই ছাগে, ইতি।"

আনন্দই কথাখিনি চমুকৈ আৰু জুকিয়াই লৈ কৈছিল। এজন গণিতৰ অধ্যাপকৰ বাবে সেইটো টান কাম নাছিল। কিন্তু বৰঠাকুৰে প্ৰমাদ গণিছিল আনন্দৰ চকু দুটাত হতাশাগ্ৰস্ত হৈ ভাগি পৰাৰ লক্ষণ প্ৰকট হোৱা দেখি। কি কওঁ, কি নকওঁ বুলি তেওঁ ভাবি থাকোঁতেই আনন্দই কান্দো কান্দো কৰি আকৌ কৈছিল—"মই এতিয়া কি কৰোঁ, কওকচোন ছাৰ। আপুনি মোৰ শিক্ষাগুৰু, পিতৃতুল্য ব্যক্তি, সেইবাবেই আপোনাৰ ওচৰ চাপিছোঁ, মোক উপায় এটা দিয়ক।"

কিন্তু অধ্যাপক বৰঠাকুৰে কি উপায় দিব পাৰিব? নিজৰ পাটীৰ তিৰোতাজনী আন এজন মতাৰ লগত গুচি গ'ল, এজন উচ্চশিক্ষিত ব্যক্তিৰ সাংসাৰিক জীৱনত ইয়াতকৈ চৰম লজ্জাজনক কথা আৰু কি হ'ব পাৰে? এনে পৰিস্থিতিত দিকবিদিক হেৰুৱাই এজন ব্যক্তিয়ে কোনো আবেগিক সিদ্ধান্ত লৈ পেলালেও আচৰিত হ'বলগীয়া একো নাই; অথচ দাম্পত্য জীৱনৰ এনে স্পৰ্শকাতৰ বিষয়ত আনে বিশেষ সহায় কৰাটোও টান। অধ্যাপক ভদ্ৰকান্ত বৰঠাকুৰ সেইদিনা নিজেই দ্বিধাগ্ৰস্ত হৈ পৰিছিল। কিন্তু আনন্দক যে এটা সমাধান লাগেই, তাকো তাৎক্ষণিকভাৱে।

আনন্দই দুখমনেৰে কৈছিল—"ঘৰত দুটিকৈ কণ কণ শিশু, এতিয়াও প্ৰাক প্ৰাথমিক শ্ৰেণীতে আছে। সিহঁতক মই কি ক'ম? ওচৰ-চুবুৰীয়াই সুধিলে কি উত্তৰ দিম? আজি নহয় কাইলৈ কথাটো জনাজনি হ'বই। মই সমাজত মুখ দেখুৱাম কেনেকৈ? এইবোৰ ভাবি-চিন্তি কালি ৰাতিৰে পৰা মোৰ মাথাটোৱে কাম নকৰা হৈছে।"

মাথাটোৱে কাম নকৰাটো স্বাভাৱিক, আৰু সেইটোৱেই অতি ভয়ংকৰ কথা। বৰঠাকুৰে সুধিলে—"এতিয়া তোমাৰ ছোৱালী দুজনী ক'ত আছে?"

"সিহঁত ঘৰতে আছে, পৰীক্ষাৰ পাছত স্কুল বন্ধ। সিহঁতক চোৱা-চিতা কৰিবলৈ মানুহ এজনী আছে, পৰিবাৰৰে দূৰ সম্পৰ্কীয় মাহীয়েক। মই সিহঁতক কৈ থৈছোঁ, অফিছৰ জৰুৰী কামৰ বাবে মাক হঠাতে বাহিৰলৈ যাবলগীয়া হ'ল; ঘূৰি আহোঁতে কিছুদিন পলম হ'ব।"

"তেনেহ'লে ঠিকেই আছে; তুমি দুদিনমানলৈ সিহঁতৰ মাকৰ অভাৱ পূৰণ কৰি থাকা, লাগিলে কলেজৰ পৰা ছুটীও লোৱা।"

"কিন্তু ছাৰ, কথাটো আজি নহ'লেও কাইলৈ প্ৰকাশ পাবই; তেতিয়া মোৰ নাকটো ৰ'ব ক'ত?"

এইবাৰ বৰঠাকুৰে অলপ টানকৈ ক'লে—"চোৱা আনন্দ, নিজৰ কৃতকৰ্মৰ বাবে অনুশোচনা কৰা ভাল। প্ৰয়োজন হ'লে ভুক্তভোগীৰ ওচৰত ক্ষমা প্ৰাৰ্থনাও কৰিব পাৰি; সেইটোৱে নিজৰ মনত শান্তি দিয়ে, প্ৰতিপক্ষকো মানসিক সকাহ দিয়া হয়। কিন্তু আনৰ কৃতকৰ্মৰ বাবে তুমি টোপনি খতি কৰিবা কিয়? আজি যিমানবোৰ প্ৰশ্ন তুমি নিজকে কৰিছা, তোমাৰ পত্নীয়ে কিন্তু যোৱাৰ আগতে তাৰে এটাও ভাবি নাচালে। এতিয়া তুমি আনে কি ভাবিব, বা কি ক'ব, তাকে ভাবি থকাতকৈ পত্নী অবিহনে তুমি ছোৱালী দুজনীক কেনেকৈ ডাঙৰ-দীঘল কৰিবা, সেইটো ভবাহে ভাল। তোমাৰ বাবে এইটো নতুন প্ৰত্যাহ্বান আহিছে; আনৰ কথা ভাবি মূল্যৱান সময় অপচয় কৰাৰ সময় এইটো নহয়।"

বৰঠাকুৰৰ মুখলৈ আনন্দই ভেবা লাগি চাই ৰৈছিল। বৰঠাকুৰে কৈ গৈছিল—"এই যে আই এ এছ বিষয়াগৰাকীয়ে আত্মহত্যা কৰিলে, সেইটোৱে জানো সমস্যাৰ সমাধান কৰিলে? হয়তো তেওঁৰ পত্নীগৰাকী হিংসুক, স্বাৰ্থপৰ বা কুচুটীয়া স্বভাৱৰ; স্বামীৰ আত্মহত্যাই তেওঁৰ সেই চৰিত্ৰৰ পৰিৱৰ্তন নঘটায়। মহিলাগৰাকী মানসিক বিকাৰগ্ৰস্তও হ'ব পাৰে। একে কথা স্বামীৰ নিৰ্যাতনত অতিষ্ঠ হৈ আত্মহত্যা কৰা পত্নীসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য। এইবোৰৰ মাজেৰে ফুটি উঠা কৰুণ সত্যটো হ'ল, সময় বৰ নিষ্ঠুৰ; সেয়েহে আনৰ কৃতকৰ্মৰ বোজাটো নিজৰ মূৰত জাপি নলৈ সমুখৰ ফালে আগবাঢ়ি যোৱা ভাল।"

আনন্দ কিছুসময় তভক মাৰি ৰৈছিল। তাৰ পাছত লাহেকৈ কৈছিল—"এনে পৰামৰ্শ শুনিবলৈ ভাল, পালন কৰাটোহে টান। আবেগ-অনুভূতি অবিহনে জীৱনৰ অৰ্থ ক'ত? জীৱনটোতো এটা গাণিতিক সূত্ৰত বন্ধা নাথাকে।"

বৰঠাকুৰে কিছুসময় ধৰি আনন্দৰ মন্তব্যটো মনৰ ভিতৰতে পাগুলি থাকিল আৰু পাছত গহীনভাৱে ক'লে—"সেইটো তোমাৰ মত; কিন্তু কথাটো মই অন্য ধৰণে বিশ্বাস কৰোঁ। গণিতৰ কঠিন সমস্যাৰ সমাধান পাবলৈ মূৰ গৰম কৰিব নালাগে; ঠাণ্ডা মগজুৰে বিশ্লেষণ কৰিহে চাব লাগে। আবেগ-অনুভূতিৰ দাহত জীৱনটোকে আমি অসাৰ বুলি ক'মনে? আৰু তুমি যে কৈছা, এনে পৰামৰ্শ পালন কৰাটো টান, তাৰো জীৱন্ত উদাহৰণ এটা দিব পাৰোঁ, শুনিবানে?

আনন্দই হা-না একোৱেই মতা নাছিল; তথাপি বৰঠাকুৰে কৈ গৈছিল—কথাটো চমুকৈ কৈছোঁ, শুনা। মানুহজনক তুমি চিনি পোৱা; সেয়েহে তেওঁৰ পৰিচয় সম্পৰ্কে মোক একো কথা নুসুধিবা। কাৰণ কাহিনীটো একান্ত ব্যক্তিগত আৰু গোপনীয়, যেনেদৰে তোমাৰ সমস্যাটোও আনে জনা উচিত নহয়।

সেই সময়ত আনন্দৰ চকু-মুখত ফুটি উঠিছিল সীমাহীন ঔৎসুক্য, ঠিক ৰহস্যঘন সাধু এটা শুনাৰ সময়ত শিশু এটিৰ মনত সৃষ্টি হোৱা উৎকণ্ঠাৰ দৰেই।

'ধৰি লোৱা ভদ্ৰলোকগৰাকীৰ নাম 'ক', তেওঁৰ পত্নী 'খ' আৰু তেওঁলোকৰ সন্তান দুটি 'গ' আৰু 'ঘ'। 'ক' আৰু 'খ'ৰ মাজত বেচ কিছুদিন ধৰি কিবা কথাক লৈ সংঘাত চলি আছিল; অৱশ্যে তেনে ধৰণৰ দাম্পত্য কলহক সততে সাংসাৰিক জীৱনৰ অবিচ্ছেদ্য অংগ বুলিয়েই ধৰা হয়। উল্লেখনীয় যে 'ক' আৰু 'খ'ৰ মাজৰ বিবাহ আছিল প্ৰেমজনিত, তাকো প্ৰচণ্ড সামাজিক প্ৰত্যাহ্বানৰ মাজেৰে সম্পন্ন হোৱা। ঘটনাটো যিদিনা ঘটিছিল, তাৰ পূৰ্ব নিশাও স্বামী-স্ত্ৰী দুয়ো বিছনাত শান্তিৰে শুইছিল। কিন্তু প্ৰত্যুষতে 'ক'ই পূৰ্বৰে পৰা চলি থকা বিতৰ্কটোৰ পুনৰ সূত্ৰপাত ঘটাইছিল। দুয়োৰে মাজত কিছু সময় ধৰি কথা কটাকটি চলিল, আৰু তাৰ পাছত 'ক' বাৰাণ্ডালৈ ওলাই আহিছিল। আৰু সেই সময়তে 'খ'ই কেৰাচিনৰ টিনটো